# সাহেব সিং

## বনাম

## পাঞ্জাব ৰাজ্য

১৩ সেপ্টেম্বৰ, ১৯৯৬

[মাননীয় ন্যায়াধীশ এম. কে. মুখাৰ্জি এবং এস. পি. কুৰ্দুকৰ]

*ফৌজদাৰী আইন:*

*সন্ত্ৰাসবাদী আৰু বিঘ্নিতকাৰী কাৰ্য্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৮৭: ধাৰা ৫।*

*ৰিভলভাৰ আৰু ছয়টা সজীৱ গুলি উদ্ধাৰ - স্থানীয় কোনো লোক অনুসন্ধানৰ সাক্ষী নাছিল – আচামীৰ পৰা যি অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদ উদ্ধাৰ কৰা হৈছিল বুলি অভিযোগ কৰা হৈছিল সেইবোৰ পেকেট আৰু ছীল কৰা হোৱা নাছিল - ৰিভলভাৰ জব্দ কৰাৰ পিছত অস্ত্ৰ বিশেষজ্ঞলৈ প্ৰেৰণ নকৰালৈকে সেইটো কাৰ সৈতে আছিল তাৰ কোনো প্ৰমাণ নাছিল- এইটো ৰায় দিয়া হয় যে গোচৰটোৰ পৰিস্থিতিত, আচামীজন সন্দেহৰ লাভালভৰ অধিকাৰী আছিল- অস্ত্ৰ আইন, ধাৰা ২৫।*

অস্ত্ৰ আইন, ১৯৫৯ৰ ২৫ নং ধাৰা আৰু সন্ত্ৰাসবাদী আৰু বিঘ্নিতকাৰী কাৰ্যকলাপ (প্ৰতিৰোধ) আইন ১৯৮৭ৰ ৫ নং ধাৰাত আপীলকাৰীক দোষী সাব্যস্ত কৰি শাস্তি প্ৰদান কৰা হয়। সেয়েহে এই আপীল দাখিল কৰা হৈছে।

বিচাৰ বিভাগৰ মতে, সন্দেহৰ ভিত্তিত আপীলকাৰীক গ্ৰেপ্তাৰ কৰা হয় আৰু আৰক্ষী বিষয়াৰ অনুসন্ধানত আপীলকাৰীয়ে তাৰ সোঁহাতত থকা মোনাটোৰ পৰা ছটা সজীৱ গুলি থকা এটা ৰিভলভাৰ উদ্ধাৰ কৰা হয়।

আপীলকাৰীৰ হৈ এইটো যুক্তি প্ৰদৰ্শন কৰা হয় যে স্থানীয় কোনো লোকক বিচাৰ বিভাগে অনুসন্ধানৰ সাক্ষী হ'বলৈ মাতি অনা নাছিল; বিশেষ আদালতে আপীলকাৰীক দোষী সাব্যস্ত কৰাৰ ক্ষেত্ৰত কেৱল আৰক্ষী বিষয়াৰ প্ৰমাণৰ ওপৰত

নির্ভৰ কৰাটো ন্যায্য নাছিল; আপীলকাৰীৰ পৰা উদ্ধাৰ হোৱা অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ পেকেট আৰু ছীল কৰা হোৱা নাছিল আৰু ৰিভলভাৰটো জব্দ কৰাৰ পিছত অস্ত্ৰ বিশেষজ্ঞৰ ওচৰলৈ পঠোৱালৈকে কাৰ লগত আছিল তাৰ কোনো প্ৰমাণ নাছিল।

আপীল মঞ্জুৰ কৰি এই আদালতে ৰায় দিয়ে যে,

১) তালাচী চলোৱাৰ আগতে সংশ্লিষ্ট আৰক্ষী বিষয়াই স্থানীয় অঞ্চলৰ কিছুমান সন্মানীয় লোকক অনুসন্ধানৰ সাক্ষী হ'বলৈ মাতিব লাগে। এই গোচৰত এনেকুৱা হ'ব পাৰে যে এনে কোনো ব্যক্তি তাত উপলব্ধ নাছিল বা উপলব্ধ হ'লেও এনে অনুসন্ধানৰ সাক্ষ্য হ'বলৈ ইচ্ছুক নাছিল। এইটোও হ'ব পাৰে যে অনুসন্ধানত যোগদান কৰাৰ পিছত এনে ব্যক্তিয়ে পিছলৈ বিৰুদ্ধ সাক্ষী হিচাপে পৰিণত হ'ল। এই কোনো এটা পৰিস্থিতিত অনুসন্ধান চলোৱা আৰক্ষী বিষয়াসকলৰ প্ৰমাণ কেৱল এই ভিত্তিত অবিশ্বাস কৰিব নোৱাৰি যে অনুসন্ধান প্ৰমাণ কৰিবলৈ কোনো সন্মানীয় লোকক সাক্ষ্য হিচাপে পৰীক্ষা কৰা হোৱা নাছিল কিন্তু যদিহে ধৰা পৰে - বৰ্তমানৰ গোচৰৰ দৰে - যদি সংশ্লিষ্ট বিষয়াজনে অনুসন্ধানৰ সময়ত কোনো উপলব্ধ স্থানীয় লোকক সাক্ষী হিচাপে জড়িত কৰিবলৈও চেষ্টা কৰা নাছিল, তেন্তে ইয়াৰ ফলত তেওঁৰ সাক্ষ্যৰ বিশ্বাসযোগ্যতা হ্ৰাস পাব পাৰে, যদিও ইয়াৰ গ্ৰহণযোগ্যতা নাথাকিবও পাৰে। আপীলকাৰীৰ পৰা উদ্ধাৰ কৰি জব্দ কৰা বুলি অভিযোগ উত্থাপন কৰা অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ পেকেট আৰু ছীল কৰা হোৱা নাছিল। ৰিভলভাৰটো জব্দ কৰাৰ পিছত অস্ত্ৰ বিশেষজ্ঞৰ ওচৰলৈ পঠোৱালৈকে কাৰ লগত আছিল সেইটো সূচাব পৰাকৈ কোনো প্ৰমাণ নাছিল। এই হেৰুওৱা সংযোগটোৱে গোচৰটো দুৰ্বল কৰি তোলে। এই সকলো দুৰ্বলতাৰ বাবে আবেদনকাৰী যুক্তিসঙ্গত সন্দেহৰ লাভালভৰ অধিকাৰী। [২৪৭-এফ-এইচ; ২৪৮-এ-বি]

অমৰজিৎ সিং বনাম পঞ্জাব ৰাজ্য, [১৯৯৫) পৰিপূৰক ৩ এছচিচি ২১৭ গোচৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।

**ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ: অপৰাধমূলক আপীল নং ৬১/ ১৯৯২।**

অমৃতসৰস্থিত বিশেষ আদালতে এছ.চি.নং ৬১/ ১৯৯১ গোচৰত ২১.১২.৯১ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ শ্ৰী নৰেশ বাক্ষী।

প্ৰতিপক্ষৰ হৈ শ্ৰী ৰূপিন্দৰ ৰাছুৱে আৰ. এছ. ছুৰি।

**মাননীয় ন্যায়াধীশ এম. কে. মুখাৰ্জীয়ে** ৰায়দান কৰে।

অমৃতসৰৰ বিশেষ আদালতৰ অতিৰিক্ত ন্যায়াধীশে সত্ৰ আদালতৰ গোচৰ নং ২১/১৯৯১ত অস্ত্ৰ আইন, ১৯৫৯ৰ ২৫ নং ধাৰা আৰু সন্ত্ৰাসবাদী আৰু বিঘ্নিতকাৰী কাৰ্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৮৭ৰ ৫ নং ধাৰাত আপীলকাৰীক দোষী সাব্যস্ত কৰি শাস্তি প্ৰদান কৰা ৰায় আৰু আদেশক প্ৰত্যাহ্বান জনাই এই আপীল দাখিল কৰা হৈছে।

বিচাৰ বিভাগৰ গোচৰ অনুসৰি ১৯৯০ চনৰ ১২ মে' তাৰিখে দিনৰ ১২.৩০ বজাত চেহাৰাটা থানাৰ পৰিদৰ্শক গুৰ্মিত চান্দ (গোচৰীয়া পক্ষৰ ৩ নং সাক্ষী)ৰ লগতে উপ-পৰিদৰ্শক ৰত্ন লাল (গোচৰীয়া পক্ষৰ ২ নং সাক্ষী) আৰু অন্যান্য আৰক্ষী বিষয়াসকলে বলে-ডি-বাম্বিৰ ওচৰত টহল দি থকাৰ সময়ত তেওঁলোকে সন্দেহজনকভাৱে আপীলকাৰীক গ্ৰেপ্তাৰ কৰে আৰু অনুসন্ধানৰ সময়ত আপীলকাৰীৰ সোঁহাতত থকা মোনাৰ পৰা ছটা  সজীৱ গুলি সহ এটা ৰিভলভাৰ উদ্ধাৰ কৰে।

আপীলকাৰীয়ে তেওঁৰ ওপৰৰত অনা উপৰোক্ত অভিযোগটো অস্বীকাৰ কৰে আৰু নিজৰ প্ৰতিৰক্ষাত তেওঁৰ কয় যে তেওঁক তেওঁৰ চুবুৰীয়া সেৱা সিঙৰ কথামতে অভিযোগটোত মিছাকৈ জড়িত কৰা হৈছে।

নিজৰ গোচৰ প্ৰমাণ কৰিবলৈ বিচাৰ বিভাগে চাৰিজন সাক্ষীক পৰীক্ষা কৰিছিল যাৰ ভিতৰত অমৃতসৰ জিলা দণ্ডাধীশৰ কাৰ্যালয়ৰ কেৰাণী মনোহৰ লালে (গোচৰীয়া পক্ষৰ ১ নং সাক্ষী)অস্ত্ৰ আইনৰ অধীনত আপীলকাৰীৰ বিৰুদ্ধে গোচৰ চলোৱাৰ বাবে দিয়া অনুমোদন প্ৰমাণ কৰে। গোচৰীয়া পক্ষৰ ২ নং  আৰু ৩ নং সাক্ষীয়ে গোচৰত আপীলকাৰীক গ্ৰেপ্তাৰ কৰা আৰু তেওঁৰ পৰা ৰিভলভাৰ আৰু কাৰ্টিজ উদ্ধাৰ কৰা বুলি সাক্ষ্য দিয়ে আৰু এজন সাক্ষী আৰ্মৰাৰ সীতাল সিঙে (গোচৰীয়া পক্ষৰ ৪ নং সাক্ষী )ৰিভলভাৰটো যান্ত্ৰিকভাৱে পৰীক্ষা কৰি কাৰ্যক্ষম অৱস্থাত পোৱা বুলি দাবী কৰে। তেওঁলোকৰ সাক্ষ্য-প্ৰমাণৰ ভিত্তিত বিদ্বান ন্যায়াধীশে তেওঁক দোষী সাব্যস্ত কৰে আৰু শাস্তিৰ বিবাদিত আদেশ লিপিবদ্ধ কৰে।

আপীলকাৰীৰ হৈ প্ৰথমে এই যুক্তি দিয়া হয় যে যিহেতু আপীলকাৰীৰ পৰা অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ উদ্ধাৰৰ অভিযোগ প্ৰমাণ কৰিবলৈ কোনো নিৰপেক্ষ সাক্ষীক বিচাৰ বিভাগে পৰীক্ষা কৰা নাছিল গতিকে বিশেষ আদালতে কেৱল আৰক্ষী দুজনৰ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰি তেওঁক দোষী সাব্যস্ত কৰাটো ন্যায্য হোৱা নাই। ইয়াৰ পিছত এই যুক্তি দিয়া হয় যে যিহেতু আক্ৰমণযোগী সামগ্ৰীসমূহ জব্দ কৰাৰ পিছত সেইবোৰ পেকেট আৰু ছীল কৰা বুলি প্ৰমাণ কৰিবলৈ বিচাৰ বিভাগৰ নেতৃত্বত কোনো প্ৰমাণ পোৱা নাছিল গতিকে ইয়াক বিকৃত কৰাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। শেষত, এই যুক্তি প্ৰদৰ্শন কৰে যে গোচৰীয়া পক্ষৰ ৪ নং সাক্ষী (এক্স- পি অফ)কৰা পৰীক্ষা প্ৰতিবেদনৰ পৰা এইটো দেখা যায় যে এজন হেড কনিষ্টবল বৈতা সিঙে তেওঁক(গোচৰীয়া পক্ষৰ ৪ নং সাক্ষী) ৰিভলভাৰটো দিছিল কিন্তু তেওঁক পৰীক্ষা কৰা হোৱা নাই বা তেওঁ (কনষ্টাবল) গোচৰীয়া পক্ষৰ ৩ নং সাক্ষীৰ পৰা কেনেকৈ ৰিভলভাৰটো পাইছিল তাৰো কোনো প্ৰমান নাই।

নথি পৰ্যবেক্ষণ কৰি আমি ওপৰৰ প্ৰতিটো যুক্তিতে যুক্তিযুক্ততা বিচাৰি পাওঁ। তালাচী চলোৱাৰ পূৰ্বে সংশ্লিষ্ট আৰক্ষী বিষয়াই কিছুমান নিৰপেক্ষ আৰু সন্মানীয় স্থানীয় লোকক তালাচীৰ সাক্ষী হ'বলৈ মাতিব লাগে। এই গোচৰত এনেকুৱা হ'ব পাৰে যে এনে কোনো ব্যক্তি তাত উপলব্ধ নাছিল বা উপলব্ধ হ'লেও এনে অনুসন্ধানৰ সাক্ষ্য হ'বলৈ ইচ্ছুক নাছিল। এইটোও হ'ব পাৰে যে অনুসন্ধানত যোগদান কৰাৰ পিছত এনে ব্যক্তিয়ে পিছলৈ বিৰুদ্ধ সাক্ষী হিচাপে পৰিণত হ'ল। এই কোনো এটা পৰিস্থিতিত অনুসন্ধান চলোৱা আৰক্ষী বিষয়াসকলৰ প্ৰমাণ কেৱল এই ভিত্তিত অবিশ্বাস কৰিব নোৱাৰি যে অনুসন্ধান প্ৰমাণ কৰিবলৈ কোনো সন্মানীয় লোকক সাক্ষ্য হিচাপে পৰীক্ষা কৰা হোৱা নাছিল কিন্তু যদিহে ধৰা পৰে - বৰ্তমানৰ গোচৰৰ দৰে – যদি সংশ্লিষ্ট বিষয়াজনে অনুসন্ধানৰ সময়ত কোনো উপলব্ধ স্থানীয় লোকক সাক্ষী হিচাপে জড়িত কৰিবলৈও চেষ্টা কৰা নাছিল, তেন্তে ইয়াৰ ফলত তেওঁৰ সাক্ষ্যৰ বিশ্বাসযোগ্যতা হ্ৰাস পাব পাৰে, যদিও ইয়াৰ গ্ৰহণযোগ্যতা নাথাকিবও পাৰে। ইয়াৰ পিছত আমি নথিৰ পৰা দেখিবলৈ পাওঁ যে আপীলকাৰীৰ পৰা উদ্ধাৰ কৰি জব্দ কৰা বুলি অভিযোগ উত্থাপন কৰা অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদবোৰ পেকেট আৰু ছীল কৰা হোৱা নাছিল। অমৰজিৎ সিং বনাম পঞ্জাৱ ৰাজ্য, [১৯৯৫] ৩ এছচিচি ২১৭ গোচৰত এই আদালতে লক্ষ্য কৰিছে যে

ৰিভলভাৰটো ঠাইতে ছীল নকৰাটো এটা গুৰুতৰ দুৰ্বলতা কাৰণ অস্ত্ৰটো বিকৃত কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। নথিৰৰ পৰা আমি আৰু দেখিবলৈ পাওঁ যে গোচৰীয়া পক্ষৰ ৩ নং সাক্ষীয়ে ৰিভলভাৰটো জব্দ কৰাৰ পিছত কনিষ্টবল বৈতা সিঙৰ জৰিয়তে পৰীক্ষাৰ বাবে অস্ত্ৰ বিশেষজ্ঞৰ ওচৰলৈ পঠোৱালৈকে উক্ত ৰিভলভাৰটো কাৰ লগত আছিল সেইটো সূচাব পৰাকৈ কোনো প্ৰমাণ নাই। এই হেৰুওৱা সংযোগটোৱে গোচৰটো দুৰ্বল কৰি তোলে। এই সকলো দুৰ্বলতাৰ বাবে আবেদনকাৰী যুক্তিসঙ্গত সন্দেহৰ লাভালভৰ অধিকাৰী। সেয়েহে, এই আপীল মঞ্জুৰ কৰি আপীলকাৰক দোষী সাব্যস্ত কৰি শাস্তি ৰায়টো বাতিল কৰা হ'ল। জামিনত থকা আপীলকাৰীক জামিননামাৰ পৰা মুকলি কৰি দিয় হ'ল। তেওঁ যদি কিবা জৰিমনা আদায় কৰিছে তেন্তে সেয়া তেওঁক ঘূৰাই দিয়া হওক

ভি.এছ.এছ.                    আপীল মঞ্জুৰ কৰা হ'ল ।

অনুবাদক: মোবাৰক হুছেইন

জ্যেষ্ঠ অনুবাদক